BU/EX/PG/SEM-1/1.03

2015

# ASSAMESE

Paper : 1.03

## HISTORY OF LITERARY CRITICISM

## (EAST & WEST)

Full Marks : 80

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

### ক - অংশ (প্ৰাচ্য সমালোচনা)

১। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ ১ × ৫ = ৫

(ক) বক্ৰোক্তিক কাব্যৰ জীৱনস্বৰূপ বুলি কোনে কৈছিল?

(খ) 'সাহিত্য-দৰ্পণ'ৰ ৰচক কোন?

(গ) ৰস সম্প্ৰাদায়ৰ জনক কোন?

(ঘ) 'প্ৰেয়ো' নামৰ অতিৰিক্ত দশম ৰসটিক স্বীকাৰ কৰা আলংকাৰিকজন কোন?

(ঙ) উৎপত্তিবাদৰ প্ৰৱৰ্তকজনৰ নাম লিখা।

২। চমু উত্তৰ লিখা ঃ ২ × ৩ = ৬

(ক) সহৃদয় কাক বোলে বুজাই লিখা।

(খ) ৰূঢ়ি বুলিলে কি বুজা?

(গ) সপ্ৰয়োজনা লক্ষণাৰ ভাগ কেইটা আৰু কি কি?



P.T.O.

৩। চমুটোকা লিখা (যিকোনো এটা) ঃ ৫ × ১ = ৫

(ক) সংলক্ষ্য ক্রমব্যঙ্গ-ধ্বনি

(খ) গুণ

৪। যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

(ক) ভৰতৰ ৰসসূত্ৰটি ব্যাখ্যা কৰি অভিব্যক্তিবাদ আৰু ভুক্তিবাদৰ ওপৰত এক পৰ্যালোচনা আগবঢ়োৱা। ২+১০=১২

(খ) লক্ষণা কাক বোলে? লক্ষণাৰ বিভাগসমূহৰ এখন তালিকা প্ৰস্তুত কৰি এটাকৈ উদাহৰণ দাঙি ধৰা। ২+১০=১২

(গ) কাব্যত থকা দোষৰ স্বৰূপ কি? শব্দগত দোষ আৰু অৰ্থদোষৰ বিভাগবোৰ উল্লেখ কৰি উভয় বিধৰে পাঁচটাকৈ বিভাগ উদাহৰণসহ আলোচনা কৰা। ২+১০=১২

## খ-অংশ (পাশ্চাত্য সমালোচনা)

৫। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

(ক) এৰিষ্টটলৰ মতে ট্ৰেজেডীৰ প্ৰধান উপাদানটো কি?

(খ) 'লিৰিৰেল বেলাডচ্'ৰ দ্বিতীয় সংস্কৰণটো কোন চনত প্ৰকাশ পাইছিল?

(গ) নতুন সমালোচনাৰ এজন প্ৰবক্তাৰ নাম উল্লেখ কৰা।

(ঘ) ৰোমাণ্টিক সমলোচনাৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) লংগিনাছে কাব্যত ব্যৱহাৰৰ পোষকতা কৰা যিকোনো এটা অলংকাৰৰ নাম উল্লেখ কৰা।

৬। চমু উত্তৰ লিখা ঃ ২ × ৩ = ৬

(ক) এৰিষ্ট'টলৰ মতে মহাকাব্য কেইপ্ৰকাৰৰ আৰু কি কি?



(খ) ধ্ৰুৱবাদী সমালোচনাৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

(গ) 'অভিপ্ৰেত ভ্ৰান্তি' (Intentional Fallacy) ৰ সংজ্ঞা দিয়া।

৭। চমুটোকা লিখা (যিকোনো এটা) ৫ × ১ = ৫

(ক) হামাৰ্‌চিয়া (Hamartia)

(খ) কবিতাৰ ভাষা সম্পৰ্কত ৱৰ্ডচৱৰ্থৰ ধাৰণা

৮। যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰা ঃ

(ক) এৰিষ্ট'টলে আগবঢ়োৱা ট্ৰে'জেডী আৰু মহাকাব্যৰ তুলনাত্মক বিশ্লেষণৰ চমু আভাসসহ ট্ৰেজেডীৰ মহত্ত্ব তেওঁ কিদৰে প্ৰতিপন্ন কৰিছে ব্যাখ্যা কৰা। ৬+৬=১২

(খ) সাহিত্যত অনিৰ্বাচনীয়ত্ব বুলিলে কি বুজা? লংগিনাছৰ মত অনুসৰি সাহিত্যত অনিৰ্বাচনীয়ত্ব সৃষ্টিত অৰিহণা যোগোৱা কাৰকসমূহৰ চমু খতিয়ান দাঙি ধৰা। ২+১০=১২

(গ) পাশ্চাত্য সাহিত্য সমালোচনাৰ ইতিহাসত টি. এছ. এলিয়টৰ স্থান নিৰূপণ কৰা। ১২

—— × ——